# **REGIONAL NEWS UNIT**
## AKASHVANI, GUWAHATI
0000000000

**Date :** 04-06-2025
**Time :** 1800 HRS

## ***Assamese Evening Bulletin***
**-------------------**

০০০০০

ড০ ভূপেন হাজৰিকাৰ বছৰজোৰা জন্ম শতবাৰ্ষিকী উদযাপন সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সভাপতিত্বত আজি দিছপুৰৰ লোকসেৱা ভৱনত কৰ্ণধাৰ সমিতিৰ প্ৰথমখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত জন্ম শতবাৰ্ষিকী উদযাপনৰ কাৰ্যসূচী সন্দৰ্ভত বিতংভাৱে পৰ্যালোচনা কৰা হয়। বৈঠকৰ অন্তত অনুষ্ঠিত সংবাদমেলত মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয় যে ড০ ভূপেন হাজৰিকাৰ জীৱন-ভিত্তিক এখন গ্ৰন্থ প্ৰকাশ কৰা হব। অনুৰাধা শৰ্মা পূজাৰীয়ে লিখা এই গ্ৰন্থখন ২৩টা ভাষালৈ অনুবাদ কৰা হব। ৰাজ্যৰ ১০ লাখ পৰিয়াললৈ এই গ্ৰন্থখন প্ৰেৰণ কৰা হব। ইয়াৰ লগতে দেশৰ ৪ লাখতকৈও অধিক শিক্ষানুষ্ঠান , পুথিভঁৰালত এই গ্ৰন্থখন ৰখা হব বুলি তেওঁ কয়। ৮ ছেপ্টেম্বৰত হবলগীয়া শতবাৰ্ষিকী অনুষ্ঠানত এই গ্ৰন্থখন মুকলি কৰা হব।

০০০০০

যোৱা দুদিন ধৰি ৰাজ্যত বতৰ ফৰকাল হৈছে যদিও ২০ খন জিলাৰ ৬ লাখ ১৭ হাজাৰৰো অধিক লোক এতিয়াও বানৰ কবলত আছে। সাম্প্ৰতিক বানত ৰাজ্যখনৰ এহেজাৰ ৪৮৯ খন গাঁৱৰ ১৪ হাজাৰ ৭৩৯ হেক্টৰো অধিক কৃষিভূমি প্লাৱিত হৈছে। জিলা প্ৰশাসনসমূহে স্থাপন কৰা ২২৩ টা আশ্ৰয় শিবিৰত ৩৯ হাজাৰৰো অধিক লোকে আশ্ৰয় লৈ আছে। যোৱা ২৪ ঘণ্টাত হাইলাকান্দি, শ্ৰীভূমি, মৰিগাঁও, কাছাৰ, শোণিতপুৰ আৰু তিনিচুকীয়া জিলাত এজনকৈ লোকৰ বানৰ ফলত মৃত্যু হয়। এই সময়ছোৱাত ২ লাখৰো অধিক পশুধনৰো ক্ষতি হৈছে। এছ ডি আৰ এফ আৰু এন ডি আৰ এফে কেইবাখনো জিলাত উদ্ধাৰ অভিযান চলাই আছে। নগৰাঞ্চলত হোৱা বানৰ ফলত কামৰূপ আৰু কামৰূপ মহানগৰ জিলাৰ ১৫ হাজাৰৰো অধিক লোক ক্ষতিৰ সন্মুখীন হৈছে। প্ৰশাসনে স্থাপন কৰা দুটা আশ্ৰয় শিবিৰত ৪৬৪ জন লোকে আশ্ৰয় লৈ আছে।

ধনশ্ৰী, পাঁচনৈ আৰু ব্ৰহ্মপুত্ৰৰ জলস্তৰ বৃদ্ধি পোৱাৰ ফলত ওৰাং ৰাষ্ট্ৰীয় উদ্যান বানৰ কবলত পৰিছে। উদ্যানখনৰ প্ৰায় ৪০ শতাংশ অঞ্চল বাঢ়নী পানীয়ে বুৰাই পেলাইছে। উদ্যানখনৰ ১২টা বন শিবিৰ জলমগ্ন হৈ পৰিছে। এনে প্ৰতিকূল পৰিস্থিতিৰ মাজতো বনৰীয়া জীৱ-জন্তুসমূহৰ সুৰক্ষা নিশ্চিত কৰিবলৈ বন কৰ্মীসকলে নাৰেৰে কৰ্তব্য পালন কৰিবলগীয়া হৈছে। বানৰ বাবে উদ্যানখনৰ জীৱ-জন্তু ওখ স্থানলৈ ঢাপলি মেলা পৰিলক্ষিত হৈছে।

গোলাঘাট জিলাৰ দেৰগাঁৱৰ কেইবাটাও অঞ্চল ব্ৰহ্মপুত্ৰৰ বাঢ়নী পানীয়ে প্লাৱিত কৰিছে। সাংসদ কামাখ্যা প্ৰসাদ তাছাই বানত ক্ষতিগ্ৰস্ত এলেকাসমূহ পৰিভ্ৰমণ কৰি বানপীড়িত লোকসকলৰ সৈতে মত-বিনিময় কৰে। তেওঁ বানত ক্ষতিগ্ৰস্ত লোকসকলক সকলো সহায় আগবঢ়াবলৈ বিভাগীয় বিষয়াসকলক নিৰ্দেশ দিয়ে।
বান পৰিস্থিতিৰ বুজ ল'বলৈ কংগ্ৰেছ দলৰ ৰাজ্যিক সভাপতি তথা সাংসদ গৌৰৱ গগৈয়ে আজি কাছাৰত দুদিনীয়া কাৰ্যসূচীৰে উপস্থিত হৈছে। তেওঁ শিলচৰ-শিৱবাৰী ৰোডৰ সিংকিং জ'ন পৰিদৰ্শন কৰি যাত্ৰাপুৰ, গনিৰগ্ৰাম আৰু কাটিগড়াৰ সিদ্ধেশ্বৰত বান পৰিস্থিতিৰ বুজ লয়। বিভিন্ন বান শিবিৰত আশ্ৰয় লৈ থকা লোকসকলৰ সৈতেও তেওঁ মত-বিনিময় কৰে।
ইপিনে, ৰাজ্যৰ সাম্প্ৰতিক বান সন্দৰ্ভত কেন্দ্ৰীয় মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সৈতে ফোনযোগে বাৰ্তালাপত মিলিত হয়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে মুখ্যমন্ত্ৰী ড০ শৰ্মাক কেন্দ্ৰীয় চৰকাৰৰ পৰা সাহায্য আৰু বন্যাৰ্তৰ পুনৰসংস্থাপনৰ প্ৰচেষ্টাৰ বাবে সকলো ধৰণৰ সহযোগিতাৰ আশ্বাস প্ৰদান কৰে।
০০০০০
শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ উদ্যোগত নৱবৈষ্ণৱ আন্দোলন তথা মহাপুৰুষসকলৰ জীৱন আদৰ্শৰ বিষয়ে প্ৰকাশিত গ্ৰন্থ আৰু ৰচনাৱলীক লৈ এক অভিলাষী প্ৰকল্প গ্ৰহণ কৰা হৈছে। প্ৰস্তাৱিত প্ৰকল্পটোৰ অধীনত নৱবৈষ্ণৱ আন্দোলন বিষয়ক গ্ৰন্থ, গৱেষণামূলক প্ৰবন্ধ-নিবন্ধসমূহ বিজ্ঞানসন্মতভাৱে সংৰক্ষণ কৰা হ'ব। ডিজিটেল আৰু পৰম্পৰাগত পদ্ধতিৰে এনে গ্ৰন্থ তথা লেখাসমূহ সংৰক্ষণ কৰা হ'ব কলাক্ষেত্ৰৰ সচিবগৰাকীয়ে জানিবলৈ দিছে। এনে ধৰণৰ গ্ৰন্থৰাজি থকা ব্যক্তিসকলে ৩০ জুনৰ ভিতৰত শংকৰদেৱ কলাক্ষেত্ৰৰ কৰ্তৃপক্ষৰ সৈতে যোগাযোগ কৰিব পাৰিব। পৰৱৰ্ত্তী সময়ত তালিকাৰ আধাৰত প্ৰকল্পটোৰ বাবে প্ৰয়োজনীয় বুলি বিবেচিত গ্ৰন্থৰাজি সংগ্ৰহৰ ব্যৱস্থা কৰা হ'ব।
০০০০০
সমাপ্ত

০০০০০

যোৱা দুদিন ধৰি ৰাজ্যত বতৰ ফৰকাল হৈছে যদিও ২০ খন জিলাৰ ৬ লাখ ১৭ হাজাৰৰো অধিক লোক এতিয়াও বানৰ কবলত আছে। সাম্প্ৰতিক বানত ৰাজ্যখনৰ এহেজাৰ ৪৮৯ খন গাঁৱৰ ১৪ হাজাৰ ৭৩৯ হেক্টৰৰো অধিক কৃষিভূমি প্লাৱিত হৈছে। জিলা প্ৰশাসনসমূহে স্থাপন কৰা ২২৩ টা আশ্ৰয় শিবিৰত ৩৯ হাজাৰৰো অধিক লোকে আশ্ৰয় লৈ আছে। যোৱা ২৪ ঘণ্টাত হাইলাকান্দি, শ্ৰীভূমি, মৰিগাঁও, কাছাৰ, শোণিতপুৰ আৰু তিনিচুকীয়া জিলাত এজনকৈ লোকৰ বানৰ ফলত মৃত্যু হয়। এই সময়ছোৱাত ২ লাখৰো অধিক পশুধনৰো ক্ষতি হৈছে। এছ ডি আৰ এফ আৰু এন ডি আৰ এফে কেইবাখনো জিলাত উদ্ধাৰ অভিযান চলাই আছে। নগৰাঞ্চলত হোৱা বানৰ ফলত কামৰূপ আৰু কামৰূপ মহানগৰ জিলাৰ ১৫ হাজাৰৰো অধিক লোক ক্ষতিৰ সন্মুখীন হৈছে। প্ৰশাসনে স্থাপন কৰা দুটা আশ্ৰয় শিবিৰত ৪৬৪ জন লোকে আশ্ৰয় লৈ আছে।

ধনশ্ৰী, পাঁচনৈ আৰু ব্ৰহ্মপুত্ৰৰ জলস্তৰ বৃদ্ধি পোৱাৰ ফলত ওৰাং ৰাষ্ট্ৰীয় উদ্যান বানৰ কবলত পৰিছে। উদ্যানখনৰ প্ৰায় ৪০ শতাংশ অঞ্চল বাঢ়নী পানীয়ে বুৰাই পেলাইছে। উদ্যানখনৰ ১২টা বন শিবিৰ জলমগ্ন হৈ পৰিছে। এনে প্ৰতিকূল পৰিস্থিতিৰ মাজতো বনৰীয়া জীৱ-জন্তুসমূহৰ সুৰক্ষা নিশ্চিত কৰিবলৈ বন কৰ্মীসকলে

নাৱেৰে কৰ্তব্য পালন কৰিবলগীয়া হৈছে। বানৰ বাবে উদ্যানখনৰ জীৱ-জন্তু ওখ স্থানলৈ ঢাপলি মেলা পৰিলক্ষিত হৈছে।

গোলাঘাট জিলাৰ দেৰগাঁৱৰ কেইবাটাও অঞ্চল ব্ৰহ্মপুত্ৰৰ বাঢ়নী পানীয়ে প্লাৱিত কৰিছে। সাংসদ কামাখ্যা প্ৰসাদ তাছাই বানত ক্ষতিগ্ৰস্ত এলেকাসমূহ পৰিভ্ৰমণ কৰি বানপীড়িত লোকসকলৰ সৈতে মত-বিনিময় কৰে। তেওঁ বানত ক্ষতিগ্ৰস্ত লোকসকলক সকলো সহায় আগবঢ়াবলৈ বিভাগীয় বিষয়াসকলক নিৰ্দেশ দিয়ে।

বান পৰিস্থিতিৰ বুজ ল'বলৈ কংগ্ৰেছ দলৰ ৰাজ্যিক সভাপতি তথা সাংসদ গৌৰৱ গগৈয়ে আজি কাছাৰত দুদিনীয়া কাৰ্যসূচীৰে উপস্থিত হৈছে। তেওঁ শিলচৰ-শিৱবাৰী ৰোডৰ সিংকিং জ'ন পৰিদৰ্শন কৰি যাত্ৰাপুৰ, গনিৰগ্ৰাম আৰু কাটিগড়াৰ সিদ্ধেশ্বৰত বান পৰিস্থিতিৰ বুজ লয়। বিভিন্ন বান শিবিৰত আশ্ৰয় লৈ থকা লোকসকলৰ সৈতেও তেওঁ মত-বিনিময় কৰে।

ইপিনে, ৰাজ্যৰ সাম্প্ৰতিক বান সন্দৰ্ভত কেন্দ্ৰীয় মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সৈতে ফোনযোগে বাৰ্তালাপত মিলিত হয়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে মুখ্যমন্ত্ৰী ড০ শৰ্মাক কেন্দ্ৰীয় চৰকাৰৰ পৰা সাহায্য আৰু বন্যাৰ্তৰ পুনৰসংস্থাপনৰ প্ৰচেষ্টাৰ বাবে সকলো ধৰণৰ সহযোগিতাৰ আশ্বাস প্ৰদান কৰে।

০০০০০

শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ উদ্যোগত নৱবৈষ্ণৱ আন্দোলন তথা মহাপুৰুষসকলৰ জীৱন আদৰ্শৰ বিষয়ে প্ৰকাশিত গ্ৰন্থ আৰু ৰচনাৱলীক লৈ এক অভিলাষী প্ৰকল্প গ্ৰহণ কৰা হৈছে। প্ৰস্তাৱিত প্ৰকল্পটোৰ অধীনত নৱবৈষ্ণৱ আন্দোলন বিষয়ক গ্ৰন্থ, গৱেষণামূলক প্ৰৱন্ধ-নিবন্ধসমূহ বিজ্ঞানসন্মতভাৱে সংৰক্ষণ কৰা হ'ব। ডিজিটেল আৰু পৰম্পৰাগত পদ্ধতিৰে এনে গ্ৰন্থ তথা লেখাসমূহ সংৰক্ষণ কৰা হ'ব কলাক্ষেত্ৰৰ সচিবগৰাকীয়ে জানিবলৈ দিছে। এনে ধৰণৰ গ্ৰন্থৰাজি থকা ব্যক্তিসকলে ৩০ জুনৰ ভিতৰত শংকৰদেৱ কলাক্ষেত্ৰৰ কৰ্তৃপক্ষৰ সৈতে যোগাযোগ কৰিব পাৰিব। পৰৱৰ্তী সময়ত তালিকাৰ আধাৰত প্ৰকল্পটোৰ বাবে প্ৰয়োজনীয় বুলি বিবেচিত গ্ৰন্থৰাজি সংগ্ৰহৰ ব্যৱস্থা কৰা হ'ব।

০০০০০

সমাপ্ত